**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-12-2024
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***

-----------------------

১। ২০২৫-২৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট প্ৰস্তুতিৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ সৈতে দেশৰ বিশিষ্ট অৰ্থনীতিবিদৰ সৈতে আলোচনাত মিলিত হয়।

২। আলফা স্বাধীনক অবৈধ সংগঠন হিচাপে গণ্য কৰিব লাগিবনে নাই সেই বিষয়ে বিবেচনাৰ বাবে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ নেতৃত্বত এখন ন্যায়াধীকৰণ গঠন কৰা হৈছে।

৩। গণৰাজ্য দিৱসৰ সাংস্কৃতিক কাৰ্যসূচীৰ অংশ হিচাপে আয়োজিত প্ৰদৰ্শনীত অসমৰ চৰাইদেউ মৈদাম প্ৰদৰ্শিত হ'ব।

৪। বিশিষ্ট চলচ্চিত্ৰ পৰিচালক শ্যাম বেনেগালৰ অন্ত্যেষ্টিক্ৰিয়া আজি আবেলি মুম্বাইৰ শিৱাজী পাৰ্ক শ্মশানত সম্পন্ন কৰা হ'ব।

*আৰু*

৫। বডোডৰাৰ কোটাম্বি ষ্টেডিয়ামত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে আই চি চি মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰতে প্ৰথমে বেট ধৰিছে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত কেন্দ্ৰীয় বাজেট দাখিলৰ পূৰ্বে একাংশ অৰ্থনীতিবিদৰ সৈতে আলোচনাত মিলিত হয়। এই বৈঠকত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণ, নীতি আয়োগৰ মুখ্য কাৰ্যবাহী বিষয়া বি ভি আৰ সুব্ৰমণিয়াম আৰু অন্যান্য জ্যেষ্ঠ চৰকাৰী বিষয়াসকলে অংশগ্ৰহণ কৰে।

oooooo

কেন্দ্ৰীয় চৰকাৰে অসমৰ নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন সংযুক্ত মুক্তি বাহিনী অসম-আলফা স্বাধীনক অবৈধ সংগঠন হিচাপে পৰিগণিত হৈ থকাৰ পৰ্যাপ্ত কাৰণ আছে নে নাই সেই বিষয়ে বিবেচনা কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মাইকেল জোথানখুমাইৰ নেতৃত্বত এখন ন্যায়াধীকৰণ গঠন কৰিছে। এই অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ ন্যায়াধীকৰণে সংগঠনটোৰ আন আন গোট আৰু শাখাসমূহৰ সন্দৰ্ভতো অনুসন্ধান কৰিব।

উল্লেখযোগ্য যে, ১৯৯০ চনত কেন্দ্ৰীয় চৰকাৰে অপৰাধমূলক কাৰ্যকলাপ, বলপূৰ্বক ধন দাবী আৰু বিচ্ছিন্নতাবাদী কাৰ্যকলাপত জড়িত থকা বুলি সংযুক্ত মুক্তি বাহিনী অসম চমুকৈ আলফাক চিনাক্ত কৰি ইয়াক নিষিদ্ধ উগ্ৰপন্থী সংগঠন হিচাপে ঘোষণা কৰিছিল। তাৰ পাছত পৰিস্থিতি বিবেচনা কৰি প্ৰতি ৫ বছৰৰ মূৰে মূৰে আলফাৰ বিৰুদ্ধে থকা নিষেধাজ্ঞা পুনৰ বলৱৎ কৰা হৈছিল। অৰবিন্দ ৰাজখোৱা নেতৃত্বাধীন আলফাৰ সৈতে কেন্দ্ৰীয়

চৰকাৰৰ যোৱা বছৰৰ ২৯ ডিচেম্বৰত শান্তি চুক্তি স্বাক্ষৰিত হৈছিল। অৱশ্যে সংগঠনটোৰ স্বয়ম্ভু সেনাধক্ষ্য পৰেশ বৰুৱা নেতৃত্বাধীন স্বাধীনপন্থী আলফা গোটে এই আলোচনা প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰা নাছিল।

০০০০০০

প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জন্ম শতবাৰ্ষিকী উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ মধ্য প্ৰদেশলৈ যাব। তেওঁ ৰাজ্যখনৰ খাজুৰাহোত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই ভ্ৰমণকালতে প্ৰধানমন্ত্ৰীয়ে অটল বিহাৰী বাজপেয়ীৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি এটা স্মাৰক ডাক টিকট আৰু এটা মুদ্ৰা মুকলি কৰিব। শ্ৰী মোদীয়ে লগতে এহেজাৰ ১৫৩টা অটল গ্ৰাম সুশাসন ভৱনৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০০

দিল্লী আৰক্ষীয়ে যোৱা কেইদিনত ভুৱা নথিপত্ৰৰে বাংলাদেশী নাগৰিকক  ভাৰতত সংস্থাপিত কৰা এটা চক্ৰৰ ১১ জন লোকক আটক কৰিছে। এই লোক কেইজনে এটা ভুৱা ৱেবছাইটৰ জৰিয়তে অবৈধ নথিপত্ৰ প্ৰস্তুত কৰি বাংলাদেশী নাগৰিকক ভাৰতীয় নাগৰিকৰূপে পৰিচয় দিয়াৰ ব্যৱস্থা কৰিছে। দক্ষিণ দিল্লীৰ আৰক্ষী উপায়ুক্তগৰাকীয়ে আজি এই বিষয়ে প্ৰকাশ কৰি কয়, যে অবৈধ ভাৰতীয় আধাৰকাৰ্ড, পেন কাৰ্ড আৰু ভোটাৰ কাৰ্ড প্ৰস্তুত কৰা এই অপৰাধী চক্ৰটোৰ ৫ জন বাংলাদেশী নাগৰিক আৰু আন ৬ জন ভাৰতীয় নাগৰিক।

০০০০০০

নতুন দিল্লীৰ কৰ্তব্য পথত হবলগীয়া গণৰাজ্য দিৱসৰ কুচকাৱাজত এইবাৰ অসমৰ পৰা প্ৰতীকপট নাথাকিব। অৱশ্যে এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আয়োজিত প্ৰদৰ্শনীত বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃত অসমৰ চৰাইদেউ মৈদামে স্থান লাভ কৰিব। ইয়াৰ বাবে প্ৰাৰম্ভিক প্ৰস্তুতি অব্যাহত আছে বুলি অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে প্ৰকাশ কৰিছে। আৱৰ্তমান প্ৰক্ৰিয়া বা ৰ'টেশ্যনৰ ভিত্তিত পৰৱৰ্তী 2026 বৰ্ষৰ গণৰাজ্য দিৱসৰ কুচকাৱাজত অসমৰ প্ৰতীকপট অন্তৰ্ভুক্ত হোৱাৰ সম্ভাৱনা আছে বুলি সাংস্কৃতিক বিভাগৰ সূত্ৰই প্ৰকাশ কৰে।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী**  ফ'ল' কৰিব পাৰে।

০০০০০০

কালি সন্ধিয়া মুম্বাইৰ এখন হস্পিতালত দেহাৱসান ঘটা যশস্বী চলচ্চিত্ৰ পৰিচালক শ্যাম বেনেগালৰ অন্ত্যেষ্টিক্ৰিয়া আজি আবেলি মুম্বাইৰ শিৱাজী পাৰ্ক শ্মশানত সম্পন্ন কৰা হ'ব। পৰিচালকগৰাকীৰ নশ্বৰ দেহ বৰ্তমান মুম্বাইৰ পে'ডাৰ ৰোডত থকা তেওঁৰ বাসভৱনত ৰখা হৈছে আৰু ছবিজগতৰ ভালেসংখ্যক শিল্পী, কলাকুশলীয়ে শ্যাম

বেনেগালৰ প্ৰতি শেষ শ্ৰদ্ধা তৰ্পণ কৰিছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, দীৰ্ঘদিন ধৰি বৃক্কজনিত ৰোগত ভূগি থকা চলচ্চিত্ৰ নিৰ্মাতাগৰাকীৰ কালি মুম্বাইত ৯০ বছৰ বয়সত মৃত্যু হয়। সপ্তম আৰু অষ্টম দশকত নিউ ৱেভ চিনেমাৰে হিন্দী ছবি জগতত নতুন ধাৰাৰ সৃষ্টি কৰা শ্যাম বেনেগালৰ উল্লেখযোগ্য ছবিৰ ভিতৰত অন্যতম হৈছে **অংকুৰ, মন্থন, ভূমিকা, জুনুন, কলিযুগ, ত্ৰিকাল, সুৰজ কা সাতৱা ঘোঁৰা, মাম্মো, মান্দি, চৰ্দাৰী বেগম, জুবেইদা** ইত্যাদি। শ্বাবানা আজমী, অনন্ত নাগ, স্মিতা পাটিল, নাছিৰুদ্দিন শ্বাহৰ দৰে বিশিষ্ট অভিনয় শিল্পীক চলচ্চিত্ৰ জগতত প্ৰতিষ্ঠিত কৰোৱা বেনেগাল ১৮টা ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা আৰু এটা ফিল্ম ফেয়াৰ বঁটাৰে বিভূষিত হৈছিল। ২০০৫ চনত দাদা চাহেব ফাল্কে, ১৯৭৬ চনত পদ্মশ্ৰী আৰু ১৯৯১ চনত পদ্ম ভূষণ সন্মানেৰে তেওঁক সন্মানিত কৰা হৈছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বেনেগালৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। এই উপলক্ষে দিয়া এটা শোকবাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে বেনেগালৰ চলচ্চিত্ৰ সমূহৰ কাহিনী কথন ৰীতিয়ে ভাৰতীয় চলচ্চিত্ৰত ক্ষেত্ৰত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। তেওঁৰ অৱদানসমূহ সদায় স্মৰণীয় হৈ থাকিব বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণন, মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাৱিছ, উপ-মুখ্যমন্ত্ৰীদ্বয় একনাথ সিন্দে আৰু অজিত পাৱাৰে বেনেগালৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে চলিত বিত্তীয় বৰ্ষত স্মাৰ্টফোনৰ ৰপ্তানি ১ লাখ ৭০ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। কেন্দ্ৰীয় বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই কথা প্ৰকাশ কৰি কয়, যে চলিত বিত্তীয় বৰ্ষত প্ৰথম আঠমাহত স্মাৰ্টফোনৰ ৰপ্তানি মূল্যই ১ লাখ কোটি অতিক্ৰম কৰিছে। এই ক্ষেত্ৰত উৎপাদন সংযোজিত উদগনি আঁচনিৰ কথা উল্লেখ কৰি শ্ৰী বৈষ্ণৱে কয়, যে এই আঁচনিৰ ফলতে বিগত বছৰৰ তুলনাত এইবছৰত দেশৰ স্মাৰ্টফোনৰ ৰপ্তানি ৪৫ শতাংশলৈ বৃদ্ধি হৈছে। এই আঁচনিখনে তিনি লাখ প্ৰত্যক্ষ আৰু ৬ লাখ পৰোক্ষ নিয়োগ সৃষ্টি কৰিছে বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে।

০০০০০০

বিগত দহ বছৰত ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ বতৰৰ আগজাননীৰ শুদ্ধতা ৪০ ৰ পৰা ৫০ শতাংশ বৃদ্ধি পাইছে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত বিভাগৰ সঞ্চালক প্ৰধান মৃত্যুঞ্জয় মহাপাত্ৰই কয় যে ধাৰাষাৰ বৰষুণৰ আগজাননীৰ শুদ্ধতাও ৬০ ৰ পৰা ৮০ শতাংশলৈ বৃদ্ধি পাইছে। বতৰ বিজ্ঞান বিজ্ঞান বিভাগৰ আন্তঃগাঁথনিৰ বিকাশ সন্দৰ্ভত আলোকপাত কৰি শ্ৰী মহাপাত্ৰই কয় যে বতৰ বিজ্ঞান সংস্থাটোৱে কাম আৰম্ভ কৰাৰ সময়ত তেওঁলোকৰ ৮০টা নিৰীক্ষণ কেন্দ্ৰ আছিল যদিও সম্প্ৰতি তেওঁলোকে ৫৫০টা বিভাগীয় নিৰীক্ষণ কেন্দ্ৰ, দুহাজাৰ স্বয়ংক্ৰিয় বতৰ কেন্দ্ৰ, আৰু ৩৯টা ঠাইত ডপলাৰ ৰাডাৰৰ সহায়ত বতৰৰ আলেখলেখ নিৰীক্ষণ কৰে। তেওঁ লগতে কয় যে ২০২৬ চনৰ ভিতৰত আৰু ৩৪টা ৰাডাৰ স্থাপন কৰা হ'ব।মহাপাত্ৰই কয় যে এই বৃদ্ধিয়ে অহা ৫ বছৰত বতৰৰ আগজাননীৰ শুদ্ধতা ১০ৰ পৰা ১৫ শতাংশ বৃদ্ধি কৰিব।

০০০০০০

ফ্ৰান্সত পূৰ্বৰ মন্ত্ৰীসভাৰ পতনৰ পাছত কালি ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰঁই এখন নতুন চৰকাৰক দায়িত্ব দিয়ে। এই মন্ত্ৰীসভাত প্ৰধান প্ৰধান পদবীসমূহ একে ৰখা হৈছে। সেই অনুসৰি জাঁ-ন'ৱেল বেৰটক বিদেশ মন্ত্ৰী, ব্ৰুন ৰিটেইলিঅ'ক অভ্যন্তৰীণ মন্ত্ৰী আৰু ছেবাষ্টিয়ান লেক'ৰ্নুক প্ৰতিৰক্ষা মন্ত্ৰীৰ দায়িত্ব পুনৰ দিয়া হৈছে। প্ৰাক্তন প্ৰধানমন্ত্ৰী এলিজাবেথ ব্ৰনেক শিক্ষা মন্ত্ৰীৰ দায়িত্ব দিয়া হৈছে। সেইদৰে প্ৰাক্তন অভ্যন্তৰীণ মন্ত্ৰী জেৰাল্ড ডাৰ্মেনিনক ন্যায় মন্ত্ৰীৰ দায়িত্ব দিয়া হৈছে। নতুন চৰকাৰত বিত্তমন্ত্ৰী হ'ব এৰিক লম্বাৰ্ড আৰু বাজেট মন্ত্ৰী হ'ব এমিলি ডে মণ্টকেলিন। প্ৰধানমন্ত্ৰী ফ্ৰাংকইজ বেৰ'ৰে কালি মন্ত্ৰীসভাখন গঠন কৰে।

০০০০০০

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজত আই চি চি মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ দ্বিতীয়খন খেল বডোডৰাৰ কোটাম্বি ষ্টেডিয়ামত চলি আছে। খেলখন দিনৰ ডেৰ বজাত আৰম্ভ হৈছে। ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈছে। বাতৰি যুগুটোৱাৰ পৰলৈকে ভাৰতে ৪ অভাৰত ২২ ৰান কৰিছে।

একেখন ষ্টেডিয়ামতে দেওবাৰে অনুষ্ঠিত প্ৰথমখন এদিনীয়াত ভাৰতে আলহী দলটোক ২১১ ৰানত পৰাস্ত কৰিছিল। এয়া হৈছে মহিলা এদিনীয়া ক্ৰিকেটত ভাৰতীয় দলটোৰ দ্বিতীয় বৃহৎ বিজয়। প্ৰথমে বেট ধৰি ভাৰতে নিৰ্ধাৰিত ৫০ অভাৰত ৯ টা উইকেট হেৰুৱাই ৱেষ্ট ইণ্ডিজক ৩১৪ ৰানৰ বৃহৎ লক্ষ্য নিৰ্ধাৰণ কৰিব দিয়ে। ভাৰতৰ বলাৰসকলৰ পৰাক্ৰমত তিষ্ঠিব নোৱাৰি ৱেষ্ট ইণ্ডিজে ২৬ অভাৰ ২টা বলত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১০৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ ৰেনুকা সিং ঠাকুৰে ৫টা উইকেট দখল কৰে আৰু তেওঁক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। সহ-উইকেটকিপাৰ স্মৃতি মান্ধানাই ৯১ ৰানৰ বৰঙণি আগবঢ়ায়।

০০০০০০

সমাপ্ত